# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-10-2025
**Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## ***Headlines***
000000

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ পৰা ৬২ হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ বিভিন্ন যুৱকেন্দ্ৰিক পদক্ষেপ মুকলি কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰোহটকৰ মহৰ্ষি দয়ানন্দ বিশ্ববিদ্যালয় চৌহদত অনুষ্ঠিত **খাদী কাৰিগৰ মহোৎসৱত** অংশগ্ৰহণ কৰে।

৩। দেশৰ প্ৰতিৰক্ষা ৰপ্তানিয়ে ২০২৯ চনৰ ভিতৰত ৫০ হাজাৰ কোটি টকা স্পৰ্শ কৰিব বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰে।

৪। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি দ্বিতীয় দিনাৰ অন্তত ভাৰতে পাঁচটা উইকেট হেৰুৱাই ৪৪৮ ৰাণ কৰে।

***আৰু***

৫। ভাৰতৰ মীৰাবাঈ চানুৱে নৰৱেৰ ফৰ্ডেত চলি থকা বিশ্ব ভাৰোত্তোলন চেম্পিয়নশ্বিপ ২০২৫ত ৰূপৰ পদক অৰ্জন কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ পৰা ৬২ হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ বিভিন্ন যুৱকেন্দ্ৰিক পদক্ষেপ মুকলি কৰিব। যুৱক-যুৱতীসকলৰ বিকাশৰ এক ঐতিহাসিক পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশৰ এহেজাৰ চৰকাৰী আই টি আই উন্নয়নৰ বাবে পিএম-সেঁতুৰ শুভাৰম্ভ কৰিব।

শ্ৰীমোদীয়ে বিহাৰৰ পুনৰগঠিত মুখ্যমন্ত্ৰী নিশ্চয় স্বয়ং সহায়তা ভাট্টা যোজনা মুকলি কৰিব, যাৰ অধীনত ৫ লাখ স্নাতকক দুবছৰৰ বাবে এহেজাৰ টকাকৈ মাহিলী ভাট্টা প্ৰদান কৰা হ'ব। উদ্যোগমুখী পাঠ্যক্ৰম আৰু বৃত্তিমূলক শিক্ষা উন্নত কৰাৰ উদ্দেশ্যেৰে তেওঁ বিহাৰত জননায়ক কপুৰী ঠাকুৰ দক্ষতা বিশ্ববিদ্যালয়ো মুকলি কৰিব। শ্ৰীমোদীয়ে বিহাৰৰ চাৰিখন বিশ্ববিদ্যালয়ত নতুন শৈক্ষিক আৰু গৱেষণাৰ সুবিধাৰ বাবে বিভিন্ন ব্যৱস্থাৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বিহ্‌তা এন আই টি পাটনাৰ নতুন চৌহদো মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে ৩৪খন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ নবোদয় বিদ্যালয় আৰু একলব্য মডেল আবাসিক বিদ্যালয়ত স্থাপন কৰা এহেজাৰ ২০০টা বৃত্তিমূলক দক্ষতা গৱেষণাগাৰো মুকলি কৰিব। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীয়ে কৌশল দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি আই আই টিৰ পৰা শীৰ্ষস্থান দখল কৰা শিক্ষাৰ্থীসকলক সম্বৰ্দ্ধনা জনাব।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে ভাৰত এখন উন্নত ৰাষ্ট্ৰ হোৱাৰ দিশত আগবাঢ়িছে। যেতিয়া স্বাধীনতাৰ শতবৰ্ষ উদযাপন কৰা হ'ব সেই সময়ত খাদীৰ গুৰুত্বপূৰ্ণ অৱদান থাকিব বুলি তেওঁ কয়।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি ৰোহটকৰ মহৰ্ষি দয়ানন্দ বিশ্ববিদ্যালয় চৌহদত অনুষ্ঠিত **খাদী কাৰিগৰ মহোৎসৱত** শিপিনীসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ কয় যে দেশৰ অৰ্থনীতি শক্তিশালী কৰাৰ দিশত খাদীয়ে উল্লেখযোগ্য ভূমিকা পালন কৰে। খাদী গ্ৰাম্য উদ্যোগ লাখ লাখ শিপিনীৰ বাবে এক

শক্তিশালী মঞ্চত পৰিণত হৈছে বুলি তেওঁ কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে হাৰিয়ানাৰ পঞ্চকুলাত নৱনির্মিত খাদী গ্ৰাম্য উদ্যোগ আয়োগৰ কাৰ্যালয় আৰু ভাণ্ডাৰকে ধৰি পিএম-ই জি পি গোট, কেন্দ্ৰীয় পুণে প্লাণ্ট আৰু খাদী গ্ৰাম্য উদ্যোগৰ ভৱনসমূহ ভাৰ্চুৱেলি মুকলি কৰে।

মন্ত্ৰীগৰাকীয়ে কয় যে স্বাধীনতাৰ সময়ত কল্পনা কৰা স্বৰাজৰ দৃষ্টিভংগী, স্বদেশী আৰু মাতৃভাষা অবিহনে সম্পূৰ্ণ হ'ব নোৱাৰে। আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগী আৰু স্বদেশী শ্লোগান প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে উপকাৰী বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে শেহতীয়াকৈ ৩৯৫তকৈও অধিক সামগ্ৰীৰ জি এছ্ টি হ্ৰাস কৰি দীপাৱলীৰ উপহাৰ দিয়ে বুলিও তেওঁ কয়।

oooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কয় যে দেশৰ প্ৰতিৰক্ষা ৰপ্তানিয়ে বৰ্তমানৰ ২৪ হাজাৰ কোটি টকাৰ পৰা ২০২৯ চনৰ ভিতৰত ৫০ হাজাৰ কোটি টকা স্পৰ্শ কৰিব। তেওঁ কয় যে ১১ বছৰ পূৰ্বে ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানি মাত্ৰ ৬০০ কোটি টকা আছিল আৰু বৰ্তমানৰ সেই দিনটো দূৰত নাই যেতিয়া ভাৰত বিশ্বৰ প্ৰতিৰক্ষা কাৰখানাত পৰিণত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আজি হায়দৰাবাদত তিনিদিনীয়া জৈন আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সংস্থা - জিটো কানেক্ট প্ৰদৰ্শনী মুকলি কৰে। অনুষ্ঠানত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীও উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰীসিঙে কয় যে প্ৰতিৰক্ষা খণ্ডকে ধৰি আন সকলো খণ্ডই স্বাৱলম্বিতা অৰ্জনৰ লক্ষ্যৰে আত্মনিৰ্ভৰ ভাৰত হোৱাৰ দিশত আগবাঢ়িছে। তেওঁ কয় যে মেক ইন ইণ্ডিয়া কাৰ্যসূচীৰ জৰিয়তে প্ৰতিৰক্ষা ব্যৱস্থাত থলুৱা সামগ্ৰী ব্যৱহাৰ কৰা সম্ভৱ হৈছে আৰু তেজছ্ লাইট কম্বেট এয়াৰক্ৰাফ্টৰ ৬৪ শতাংশ অংশই ভাৰতত নিৰ্মিত। ২০৩০ চনৰ ভিতৰত দেশ বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হ'বলৈ সাজু হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে ভাৰতে মেক ইন ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত পুতলাৰ পৰা আৰম্ভ কৰি টেংকলৈকে সকলো সামগ্ৰী উৎপাদন কৰি আছে।

oooooo

স্থল সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে পাকিস্তানক সকীয়াই দিয়ে যে যদি দেশখনে কোনো নতুন শত্ৰুতাৰ চেষ্টা কৰে তেন্তে ভূগোলত থকা বা ইতিহাস হোৱাৰ মাজৰ পৰা পাকিস্তানে এটা বাছি ল'ব লাগিব। আজি ৰাজস্থানৰ শ্ৰীগংগনগৰৰ সমীপৰ ২২ এমডিৰ সীমান্তৱৰ্তী গাঁৱৰ এটা সেনা চকীত সেনা জোৱানসকলক সম্বোধন কৰি জেনেৰেল দ্বিৱেদীৱে এই মন্তব্য কৰে। সেনা প্ৰধানগৰাকীয়ে লগতে কয় যে অপাৰেচন সিন্দুৰৰ প্ৰাথমিক সফলতা আছিল পাকিস্তানত সন্ত্ৰাসবাদী সংগঠন সমূহে ব্যৱহাৰ কৰা ৯টা ঘটি ধ্বংস কৰা। সেনা প্ৰধানগৰাকীয়ে গুৰুত্ব আৰোপ কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্যক্তিগতভাৱে অভিযানটোৰ নাম সিন্দুৰ ৰাখি ইয়াৰ তাৎপৰ্যৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানৰ সময়ত সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়েও অপাৰেচন সিন্দুৰৰ সময়ত কৰা অসাধাৰণ কামৰ বাবে তিনিজন সেনা বিষয়া আৰু কেইবাজনো জোৱানক সম্বৰ্ধনা জনায়।

oooooo

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে বিশেষ অভিযান ৫.০ৰ অধীনত সৰ্বভাৰতীয় ই-আৱৰ্জনা পুনঃব্যৱহাৰ অভিযানৰ আৰম্ভ কৰে। চলিত মাহৰ ৩১ তাৰিখলৈকে এই অভিযান চলিব। খনি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, ই-আৱৰ্জনা সংগ্ৰহ অভিযানৰ লক্ষ্য হৈছে সময়ৰ লগে লগে জমা হোৱা ব্যৱহাৰৰ অনুপযোগী কম্পিউটাৰ, লেপটপ, প্ৰিণ্টাৰ, এল ই ডি ডিছপ্লে, মোবাইল ফোন, আৰু অন্যান্য অচল ইলেক্ট্ৰনিক সঁজুলিসমূহ পদ্ধতিগতভাৱে নিষ্কাশন কৰা। ইয়াত আৰু কোৱা হৈছে যে এই পদক্ষেপে আমদানি নিৰ্ভৰশীলতা হ্ৰাস কৰি

আৰু ভাৰতৰ স্বচ্ছ শক্তিৰ পৰিৱৰ্তনক শক্তিশালী কৰি ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ খনিজ অভিযানৰ লক্ষ্য পূৰণত সহায় কৰিব।

০০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ডাঃ মনসুখ মাণ্ডভিয়াই আজি কুৱালালামপুৰত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সন্মিলনত অংশগ্ৰহণ কৰাৰ সময়ত সংস্থাৰ সভাপতি আৰু মালয়েছিয়া তথা উগাণ্ডাৰ প্ৰতিনিধি দলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে প্ৰকাশ কৰে যে এই বৈঠকৰ সময়ছোৱাত তেওঁলোকে দক্ষতা, সুৰক্ষিত শ্ৰমিক গতিশীলতা আৰু সামাজিক সুৰক্ষাৰ সহযোগিতাৰ পাৰস্পৰিক স্বীকৃতিৰ বিষয়ে আলোচনা কৰে। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে যে আই এছ এছ এৰ অধ্যক্ষই ভাৰতক সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত লাভ কৰা কৃতিত্বৰ বাবে অভিনন্দন জনায় আৰু কম সময়ৰ ভিতৰতে সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা উল্লেখযোগ্য পদক্ষেপৰ বাবে শলাগ লয়। উল্লেখযোগ্য যে ভাৰতে আজি সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত অসাধাৰণ সাফল্যৰ বাবে ২০২৫ চনৰ সন্মানীয় আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংস্থা বঁটা লাভ কৰে।

মালয়েছিয়াৰ মানৱ সম্পদ মন্ত্ৰী ষ্টীভেন ছিম শ্বি কিয়ঙৰ সৈতে হোৱা বৈঠকত শ্ৰীমাণ্ডভিয়াই ভাৰতৰ পেচাদাৰী আৰু দক্ষ কৰ্মশক্তিৰ জৰিয়তে মালয়েছিয়াৰ শ্ৰম বজাৰখনৰ প্ৰয়োজনীয়তাক সমৰ্থন কৰিবলৈ ভাৰতৰ প্ৰস্তুতিৰ কথা দোহাৰে।

০০০০০০

ম্যানমাৰৰ ৰাষ্ট্ৰীয় ভূমিকম্প বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি আজি পুৱা ০৩:৪৩ বজাত ৩.৬ প্ৰাবল্যৰ এটা ভূমিকম্পই দেশখনক জোকাৰি যায়। পৃথিৱীৰ খোলাৰ ৬০ কিলোমিটাৰ তলত এই ভূমিকম্পৰ সৃষ্টি হয়। ইয়াৰ পূৰ্বে কালিও ম্যানমাৰত ৩.১ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি যায়।

০০০০০০

আহমেবাদত অনুষ্ঠিত প্ৰথমখন টেষ্ট মেছত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতে দ্বিতীয় দিনাৰ খেলৰ অন্তত পাঁচটা উইকেটৰ বিনিময়ত ৪৪৮ ৰাণ সংগ্ৰহ কৰে। ৱাশ্বিংটন সুন্দৰ ৯ আৰু ৰবীন্দ্ৰ জাদেজাই ১০৪ ৰান কৰি অপৰাজিত হৈ আছে। দলটোৰ হৈ কে এল ৰাহুলে ১০০ আৰু ধ্ৰুৱ জুৰেলে ১২৫ ৰান কৰি আউট হয়। উল্লেখযোগ্য যে কে এল ৰাহুলৰ এয়া হৈছে তেওঁৰ কেৰিয়াৰৰ একাদশ সংখ্যক শতক।

০০০০০০

ভাৰতীয় ভাৰোত্তোলক মীৰাবাঈ চানুৱে নৰৱেৰ ফৰ্ডেত চলি থকা বিশ্ব ভাৰোত্তোলন চেম্পিয়নশ্বিপ ২০২৫ত ৰূপৰ পদক অৰ্জন কৰিছে। ৪৮ কিলোগ্ৰাম ওজন শাখাত অংশগ্ৰহণ কৰা চানুৱে মুঠ ১৯৯ কিলোগ্ৰাম ভাৰ উত্তোলন কৰি নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়ে। উত্তৰ কোৰিয়াৰ ৰী চং গামে এই শাখাত তিনিটা সোণৰ পদক অৰ্জন কৰি প্ৰতিযোগিতাখনত আধিপত্য বিস্তাৰ কৰে। ৰীয়ে ৯১ কিলোগ্ৰাম স্নেট্চ আৰু ১২২ কিলোগ্ৰাম ক্লীন এণ্ড জাৰ্কত মুঠ ২১৩ কিলোগ্ৰাম উত্তোলন কৰি নতুন বিশ্ব অভিলেখ গঢ়ে। এই শাখাত থাইলেণ্ডৰ থানিয়াথন চুকচাৰ'ৱেনে ১৯৮ কিলোগ্ৰাম উত্তোলন কৰি ব্ৰঞ্জৰ পদক দখল কৰে।

০০০০০০

**সমাপ্ত**